# গৌহাটি উচ্চ ন্যায়ালয়

(অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)

**গুৱাহাটী প্ৰধান বিচাৰপীঠ**

<u>গোচৰ নং: অৱমাননা গোচৰ (ফৌজদাৰী)(নিজাববীয়া) ১/২০২০</u>

XXXXXX

গুৱাহাটী, অসম

বনাম

শ্ৰী ফাগুলাল প্ৰসাদ
পিতা প্ৰয়াত জংগীলাল প্ৰসাদ,
ডাক পানীতোলা ৰেলৱে ষ্টেচন,
থানা তিনিচুকীয়া, জিলা তিনিচুকীয়া,
পিন - ৭৮৬১৮৩

আবেদনকাৰীৰ পক্ষে: শ্ৰী টি. জে. মহন্ত, জেষ্ঠ অধিবক্তা (ন্যায়মিত্ৰ)
শ্ৰী এ. বৰুৱা, অধিবক্তা
শ্ৰী এইচ. কে. দাস, স্থায়ী পৰামৰ্শদাতা, গৌহাটী উচ্চ ন্যায়ালয়

উত্তৰবাদীৰ পক্ষে: শ্ৰী এ. ভট্টচাৰ্য্য, অধিবক্তা

মাননীয় ন্যায়াধীশ শ্ৰীযুত সুমন শ্যাম

মাননীয় ন্যায়াধীশ শ্ৰীযুত অৰুণ দেৱ চৌধুৰী

শুনানিৰ তাৰিখ: ২২/১১/২০২১

ৰায়দানৰ তাৰিখ: ২২/১১/২০২১

**ৰায় আৰু আদেশ (মৌখিক)**

সুমন শ্যাম, ন্যায়াধীশ

১) এই আদালতৰ ২৯/১০/২০২১ তাৰিখৰ আদেশৰ জৰিয়তে কৰা অনুৰোধ অনুসৰি ন্যায়মিত্ৰ হিচাপে হাজিৰ হোৱা বিজ্ঞ জ্যেষ্ঠ অধিবক্তা শ্ৰী টি.জে. মহন্তৰ যুক্তি শুনা হ'ল। তেওঁক সহায় কৰিছে বিজ্ঞ অধিবক্তা শ্ৰী এ. বৰুৱা। আমি উত্তৰবাদী/কথিত অৱমাননাকাৰীক প্ৰতিনিধিত্ব কৰা বিজ্ঞ আইনী সাহায্য অধিবক্তা শ্ৰী এ. ভট্টাচাৰ্যৰ যুক্তিও শুনিলো। গৌহাটী উচ্চ ন্যায়ালয়ৰ বিজ্ঞ স্থায়ী পৰামৰ্শদাতা শ্ৰী এইচ. কে. দাসও উপস্থিত আছে।

২) আদালত অৱমাননা আইনৰ ধাৰা ১২ৰ সৈতে ১৫ৰ অধীনত এই নিজাববীয়া অপৰাধমূলক অৱমাননা প্ৰকৰণ পঞ্জীয়ন কৰা হৈছে এই আদালতৰ বিজ্ঞ খণ্ড বিচাৰপীঠৰ আইএ(চি) ৩৫৫৭/২০১৯ গোচৰ সংক্ৰন্তত ০৭/১১/২০১৯ তাৰিখৰ আদেশৰ ভিত্তিত, য'ত এই আদালতৰ সন্মুখত ইচ্ছাকৃতভাৱে জাল নথি-পত্ৰ দাখিল আৰু ইয়াৰ ওপৰত নিৰ্ভৰ কৰাৰ অভিযোগত অপৰাধমূলক অৱমাননা গোচৰ পঞ্জীয়ন কৰি উত্তৰবাদী অৰ্থাৎ ফাগুলাল প্ৰসাদৰ ওপৰত জাননী জাৰি কৰিবলৈ পঞ্জীয়কক নিৰ্দেশ দিয়া হৈছিল।

৩)  জাননী লাভ কৰাৰ পিছত উত্তৰবাদীয়ে আইনী সাহায্যৰ অধিবক্তা শ্ৰী এ. ভট্টাচাৰ্যৰ জৰিয়তে হাজিৰ হৈ নিজৰ শপতনামা দাখিল কৰিছে য'ত তেওঁ নথিৰ কথিত জালিয়াতিৰ সন্দৰ্ভত কোনো জ্ঞান থকাৰ কথা অস্বীকাৰ কৰিছে আৰু উল্লেখ কৰিছে যে তেওঁ নথিখন প্ৰকৃত নথি বুলি সদাশয় বিশ্বাস কৰি ইয়াৰ ওপৰত নিৰ্ভৰ কৰিছিল। উত্তৰবাদীৰ অধিবক্তাই এই বিষয়টো আদালত অৱমাননা আইন ১৯৭১ৰ ধাৰ ১৫ৰ পৰিসৰৰ ভিতৰত নপৰে বুলি আহ্বান জনাই নিজাববীয়া অপৰাধমূলক অৱমাননা প্ৰকৰণৰ গ্ৰহণযোগ্যতাকলৈও প্ৰশ্ন উত্থাপন কৰিছে।

৪) পক্ষসমূহৰ পক্ষে বিজ্ঞ অধিবক্তাই আগবঢ়োৱা যুক্তিসমূহ বিবেচনা কৰাৰ আগতে আমি এই গোচৰৰ বাস্তৱিক তথ্যমমূহ চমুকৈ আলোচনা কৰাটো উপযুক্ত বুলি বিবেচনা কৰো। গোচৰৰ নথিত উপলব্ধ তথ্যৰ পৰা দেখা যায় যে এই গোচৰৰ উত্তৰবাদীক প্ৰথমে পানীতোলা হিন্দী প্ৰাথমিক বিদ্যালয়ত অবৈতনিক সহকাৰী শিক্ষক হিচাপে নিযুক্তি দিয়া হৈছিল। কিন্তু ১০ (দহ) বছৰতকৈ অধিক সময় কাম কৰাৰ পিছতো ০১/০৮/১৯৭৭ তাৰিখে বিদ্যালয়খন প্ৰাদেশিকীকৰণ কৰা হৈছিল যদিও তেওঁৰ সেৱা নিয়মীয়া কৰা নহ'ল। উক্ত কাৰ্যৰ দ্বাৰা ক্ষুব্ধ হৈ উত্তৰবাদীয়ে পূৰ্বে এই আদালতৰ কাষ চাপি দেৱানী নিয়ম নং ৯৩২/১৯৯৫ দাখিল কৰিছিল যিটো বিজ্ঞ একজনীয়া বিচাৰপীঠে ১৯/০৯/১৯৯৫ তাৰিখৰ আদেশৰ দ্বাৰা তলত দিয়া নিৰ্দেশনা জাৰি কৰি নিষ্পত্তি কৰিছিল:

> *"পক্ষসমূহৰ পক্ষে বিজ্ঞ অধিবক্তাৰ শুনানি গ্ৰহণ কৰি মই এই লেখ আবেদনখনৰ নিষ্পত্তি কৰি উত্তৰবাদী নং. ২ (প্ৰাথমিক শিক্ষা সঞ্চালক, কাহিলীপাৰা, গুৱাহাটী)ক আবেদনত উল্লেখ কৰা বিবৃতি বিষয়ে তদন্ত*

*কৰিবলৈ আৰু যদি বিবৃতিসমূহ শুদ্ধ বুলি ধৰা পৰে আৰু যদি আবেদনকাৰীয়ে ১০ বছৰ অবৈতনিক শিক্ষক হিচাপে সেৱা আগবঢ়াইছে, তেন্তে আবেদনকাৰীক নিয়মীয়া নিযুক্তি দিবৰ বাবে নিৰ্দেশ দিও। এই আদেশ লাভ কৰাৰ তাৰিখৰ পৰা তিনি মাহৰ ভিতৰত এই কামখিনি কৰিব লাগিব। সদ্যহতে আবেদনকাৰীয়ে বিদ্যালয়ত অবৈতনিক শিক্ষক হিচাপে কাম কৰি যাব।*

*সেই অনুসৰি লেখ আবেদন নিষ্পত্তি কৰা হ'ল।"*

৫) ১৯/০৯/১৯৯৫ তাৰিখৰ আদেশত থকা নিৰ্দেশনাৰ পিছতো বিভাগে তেওঁৰ সেৱা নিয়মীয়া কৰাৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা নাছিল। তেনে অৱস্থাত উত্তৰবাদীয়ে অৱমাননা গোচৰ (দেৱানী) নং ২৬০/১৯৯৬ দাখিল কৰিছিল, যিটো ১২/১২/২০০৫ তাৰিখৰ আদেশৰ দ্বাৰা এই মত পোষণ কৰি নিষ্পত্তি কৰা হৈছিল যে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ সেৱা নিয়মীয়াকৰণৰ ক্ষেত্ৰত আইন সলনি হৈছে আৰু বৰ্তমানে বলবৎ থকা কোনো আইন নাই যিয়ে শিক্ষকক কেৱল দহ বছৰৰ সেৱা আগবঢ়ালেই নিয়মীয়াকৰণৰ অধিকাৰ প্ৰদান কৰে।

৬) দেখিবলৈ পোৱা যায় যে ২৯/১০/২০০৭ তাৰিখৰ আদেশ অনুসৰি পৰৱৰ্তী সময়ত উত্তৰবাদীৰ সেৱা নিয়মীয়া কৰা হৈছিল আৰু তেওঁ ২০০৭ চনৰ ডিচেম্বৰ মাহৰ দৰমহাও লাভ কৰিছিল। কিন্তু তেতিয়াৰ পৰা তেওঁ কোনো দৰমহা লাভ কৰা নাছিল। সেই কাৰণে আবেদনকাৰীয়ে তেওঁৰ বকেয়া দৰমহা আৰু ভাট্টা দিবলৈ কৰ্তৃপক্ষক নিৰ্দেশ দিয়াৰ প্ৰাৰ্থনাৰে সৈতে লেখ আবেদন (দেৱানী) নং ৫১৬/২০১১ দাখিল কৰি পুনৰবাৰ এই আদালতৰ

কাষ চাপিছিল। সেই লেখ আবেদনখন বিজ্ঞ এজনীয়া বিচাৰপীঠে ১৫/১২/২০১৪ তাৰিখৰ ৰায় আৰু আদেশৰ দ্বাৰা তলত দিয়া নিৰ্দেশনা দি নিষ্পত্তি কৰে:

*"উপৰোক্ত কথাখিনিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰাথমিক শিক্ষা সঞ্চালক, অসমক নিয়মীয়াকৰণৰ তাৰিখ অৰ্থাৎ ১৯/০৯/১৯৯৫ তাৰিখৰ পৰা কাৰ্যকৰী হোৱা বকেয়া দৰমহাকে ধৰি আবেদনকাৰীৰ দৰমহা আজিৰ পৰা তিনি মাহৰ ভিতৰত মুকলি কৰিবলৈ নিৰ্দেশ দিয়া হ'ল। প্ৰাথমিক শিক্ষা সঞ্চালকে আবেদনকাৰীয়ে তেওঁৰ বৰ্তমানৰ দৰমহা লাভ কৰাটোও নিশ্চিত কৰিব।"*

৭) ইয়াৰ মাজতে সংশ্লিষ্ট জিলা প্ৰাথমিক শিক্ষা বিষয়াই এখন এজাহাৰ দাখিল কৰিছিল যাৰ ভিত্তিত তিনিচুকীয়া থানাৰ গোচৰ নং ৪০৪/২০০৯ ভাঃদঃবিঃ আইনৰ ধাৰা ৪৬৮/৪৭১ত পঞ্জীয়ন কৰা হৈছিল। ইয়াত মন কৰিবলগীয়া যে ৰাজ্যিক শিক্ষা বিভাগেও লেখ আবেদন (দেৱানী) নং ৫১৬/২০১১ত এখন ওলোটা শপতনামা দাখিল কৰিছে য'ত অন্যান্য বিষয়ৰ লগতে কোৱা হৈছে যে আবেদনকাৰীয়ে নিৰ্ভৰ কৰা নথি-পত্ৰসমূহ অৰ্থাৎ ২৯/১০/২০০৭ তাৰিখে সেৱা নিয়মীয়াকৰণৰ প্ৰমাণ হিচাপে দিয়া আদেশত উল্লেখ থকা নথিখন জাল আছিল আৰু সেয়েহে লেখ আবেদনকাৰী (ইয়াত উত্তৰবাদী)ৰ দৰমহা মুকলি কৰাৰ দাবী সন্দেহজনক আছিল। বিভাগৰ উক্ত স্থিতি সত্বেও ১৫/১২/২০১৪ তাৰিখৰ আদেশৰ দ্বাৰা বিজ্ঞ এজনীয়া বিচাৰপীঠে লেখ আবেদন (দেৱানী) নং ৫১৬/২০১১ত কৰা প্ৰাৰ্থনা ওপৰত উল্লেখ কৰা ধৰণে মঞ্জুৰ কৰিছিল।

৮) ৪৩৬ দিনতকৈ অধিক পলম হোৱাৰ পিছত অসম ৰাজ্যই প্ৰাথমিক শিক্ষা বিভাগৰ সংশ্লিষ্ট বিষয়াসকলৰ জৰিয়তে ১৫/১২/২০১৮ তাৰিখৰ আদেশ

পুনৰীক্ষণৰ বাবে পুনৰীক্ষণ আবেদন নং ৭৫/২০১৭ দাখিল কৰিছিল। পুনৰীক্ষণ আবেদনখন অৱশ্যে ০৬/০৬/২০১৮ তাৰিখৰ আদেশৰ জৰিয়তে বিজ্ঞ এজনীয়া বিচাৰপীঠে খাৰিজ কৰে। ইয়াৰ পিছত শিক্ষা বিভাগে ১৫/১২/২০১৪ তাৰিখৰ আদেশৰ বিৰুদ্ধে লেখ আপীলৰ লগতে আপীল দাখিল কৰাত পলম হোৱাৰ বাবে বিলম্ব মাৰ্জনাৰ আবেদন দাখিল কৰিছিল, যিটো আইএ(দেৱানী) নং ৩৫৫৭/২০১৯ হিচাপে পঞ্জীয়ন কৰা হৈছিল। সেই অন্তৰ্ৱৰ্তীকালীন আবেদনতে ০৭/১১/২০১৯ তাৰিখে বিজ্ঞ খণ্ড বিচাৰপীঠে উত্তৰবাদীৰ বিৰুদ্ধে নিজাববীয়া অৱমাননা গোচৰ পঞ্জীয়ন কৰাৰ বাবে আদেশ দিছিল।

৯) ০৭/১১/২০১৯ তাৰিখৰ আদেশত এই আদালতৰ এখন সমন্বয়ী বিচাৰপীঠে লক্ষ্য কৰিছিল যে ফৰেনছিক বিজ্ঞান পৰীক্ষাগাৰৰ ২১/১০/২০১৯ তাৰিখৰ মতামতত কোৱা হৈছিল যে উত্তৰবাদীয়ে নিৰ্ভৰ কৰা নথিখনত থকা স্বাক্ষৰসমূহ জাল আছিল। ওপৰত লক্ষ্য কৰা মতে খণ্ড বিচাৰপীঠে প্ৰাথমিকভাৱে মত প্ৰকাশ কৰিছিল যে উত্তৰবাদীয়ে (তাত লেখ আবেদনকাৰী) ইচ্ছাকৃতভাৱে প্ৰৱঞ্চনামূলক নথি-পত্ৰ, বিশেষকৈ ২৯/১০/২০০৭ তাৰিখৰ নিয়মীয়াকৰণৰ আদেশৰ ওপৰত নিৰ্ভৰ কৰিছিল যাতে এই আদালতৰ পৰা অনুকূল আদেশ পায়। এনে দৃষ্টিগোচৰ হোৱা তথ্য আৰু পৰ্যবেক্ষণৰ ভিত্তিত ০৭/১১/২০১৯ তাৰিখৰ আদেশ জাৰী কৰা হয়।

১০) গোচৰৰ নথিত উপলব্ধ তথ্যৰ প্ৰসংগ উল্লেখ কৰি বিজ্ঞ জ্যেষ্ঠ অধিবক্তা শ্ৰী মহন্ত যুক্তি দিছে যে জিলা প্ৰাথমিক শিক্ষা বিষয়া, তিনিচুকীয়াই দাখিল কৰা এজাহাৰৰ ভিত্তিত তিনিচুকীয়া থানাৰ গোচৰ নং ৪০৪/২০০৯ ভাঃদঃবঃ আইনৰ ধাৰা ৪৬৮/৪৭১ৰ অধীনত পঞ্জীয়ন কৰা হৈছিল উত্তৰবাদীয়ে নিৰ্ভৰ কৰা আৰু ইয়াত জাল বুলি ধৰা নথি-পত্ৰসমূহৰ বিষয়ে অনুসন্ধান কৰিবৰ

বাবে। কিন্তু বিষয়টোৰ তদন্তৰ পিছত তদন্তকাৰী বিষয়াই ৩১/০৮/২০১০ তাৰিখে চূড়ান্ত প্ৰতিবেদন দাখিল কৰিছিল যিটো এজাহাৰকাৰীও মানি লৈছিল। শ্ৰী মহন্তই দৰ্শাইছে যে বৰ্তমান ফৌঃকাঃবিঃ আইনৰ ধাৰা ১৭২ লগতে ধাৰা ১৯৫ৰ অৰ্থৰ ভিতৰত নথিসমূহ সংক্ৰন্তত উত্তৰবাদীৰ বিৰুদ্ধে কোনো গোচৰ চলি থকা নাই। এনে পৰিস্থিতিত, নথি-পত্ৰ জাল কৰা সন্দৰ্ভত এই আদালতে ০৭/১১/২০১৯ তাৰিখৰ আদেশত যি মত পোষণ কৰিছে সেয়া ভিত্তিহীন। মহন্ত ডাঙৰীয়াই দৰ্শাইছে যে যদি তেনেকুৱা হয়, তেন্তে এই নিজাববীয়া গোচৰৰটোৰ কোনো গ্ৰহণযোগ্যতা নাই আৰু সেয়েহে ই খাৰিজযোগ্য।

১১) উক্ত যুক্তিসমূহ সমৰ্থন কৰি উত্তৰবাদীৰ হৈ হাজিৰ হোৱা বিজ্ঞ আইনী সাহায্য অধিবক্তা শ্ৰী ভট্টাচাৰ্যও দৰ্শাইছে যে তেওঁৰ মক্কেলে কোনো নথিপত্ৰ জালিয়াতি কৰাত লিপ্ত আছিল বুলি সিদ্ধান্ত ল'ব পৰা কোনো কাৰণ নাই। সেয়েহে এই আদালতে উত্তৰবাদীৰ বিৰুদ্ধে অপৰাধমূলক অৱমাননাৰ গোচৰ চলোৱাৰ কোনো ভিত্তি নাই।

১২) আমি গৌহাটী উচ্চ ন্যায়ালয়ৰ বিজ্ঞ স্থায়ী পৰামৰ্শদাতা শ্ৰী এইচ.কে. দাসৰ যুক্তিও শুনিলো যিয়ে ন্যায্যভাৱে দৰ্শাইছে যে উক্ত নথি-পত্ৰসমূহ উত্তৰবাদীয়ে জাল কৰিছিল বুলি এই পৰ্যায়ত কোনো প্ৰমাণ নাই।

১৩) আদালত অৱমাননা আইন, ১৯৭১ৰ অৰ্থৰ ভিতৰত কিহৰ দ্বাৰা অপৰাধমূলক অৱমাননা হয়, সেয়া আইনখনৰ ধাৰা ২(গ)ত বিধান দিয়া হৈছে যিটো তলত প্ৰসংগ হিচাপে উল্লেখ কৰা হৈছে:

> *"(গ) "অপৰাধমূলক অৱমাননা" হৈছে কোনো বিষয় প্ৰকাশ কৰা (শব্দৰ দ্বাৰা, কথিত বা লিখিত, বা চিনৰ দ্বাৰা, বা দৃশ্যমান ইংগিতৰ দ্বাৰা, বা অন্যথা) বা অন্য কোনো কাৰ্য্য কৰা যিয়ে—*

*(১) যিকোনো আদালতৰ কৰ্তৃত্বক কলংকিত কৰে বা কলংকিত কৰাৰ প্ৰৱণতা প্ৰদান কৰে, বা হ্ৰাস কৰে বা হ্ৰাস কৰাৰ প্ৰৱণতা প্ৰদান কৰে; অথবা*

*(২) যিকোনো ন্যায়িক কাৰ্য্যবিধিৰ যথাযথ প্ৰক্ৰিয়াত ক্ষতি কৰে, বা হস্তক্ষেপ কৰে বা হস্তক্ষেপ কৰাৰ প্ৰৱণতা প্ৰদান কৰে; অথবা*

*(৩) অন্য কোনো ধৰণে ন্যায় প্ৰশাসনত হস্তক্ষেপ কৰে বা বাধা দিয়ে বা বাধা দিয়াৰ প্ৰৱণতা প্ৰদান কৰে।"*

১৪) নিঃসন্দেহে এইটো শুদ্ধ যে ধাৰা ২ৰ উপ-ধাৰা (গ)(ii) আৰু (iii) অনুসৰি যদি কোনো ব্যক্তিয়ে কোনো ন্যায়িক প্ৰক্ৰিয়াত কোনো ধৰণে বাধা বা হস্তক্ষেপ বা হস্তক্ষেপ কৰাৰ প্ৰৱণতা প্ৰদান কৰে বা এনে প্ৰক্ৰিয়াত ক্ষতি কৰে বা ন্যায় প্ৰশাসনত বাধা বা বাধা দিয়াৰ প্ৰৱণতা প্ৰদান কৰে, তেন্তে সেয়া ১৯৭১ চনৰ আইনখনৰ ধাৰা ১৫ৰ পৰিসৰৰ ভিতৰত পৰিব। এনে পৰিস্থিতিত উচ্চ ন্যায়ালয়ে নিজাববীয়াকৈ বা ১৯৭১ চনৰ আইনখনৰ ধাৰা ১৫ত উল্লেখিত ব্যক্তিয়ে লোৱা পদক্ষেপৰ ভিত্তিত অপৰাধমূলক অৱমাননাৰ সংজ্ঞান আৰু ব্যৱস্থা ল'ব পাৰিব। কিন্তু ১৯৭১ চনৰ আইনখনৰ ধাৰা ২(গ)ৰ যিকোনো এটা দফা উলংঘা কৰাৰ বাবে কোনো ব্যক্তি অপৰাধমূলক অৱমাননাৰ দোষী হয় নে নহয় সেয়া নিৰ্ভৰ কৰিব প্ৰতিটো গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ ওপৰত।

১৫) এই গোচৰটোত ওপৰত লক্ষ্য কৰা অনুসৰি বিভাগে দাখিল কৰা এজাহাৰৰ ভিত্তিত পঞ্জীয়ন কৰা আৰক্ষী গোচৰটো চূড়ান্ত প্ৰতিবেদনত শেষ হৈছে। উত্তৰবাদীয়ে কোনো নথি জাল কৰা বুলি বা ইচ্ছাকৃতভাৱে জাল নথি-পত্ৰৰ ওপৰত নিৰ্ভৰ কৰা বুলি সিদ্ধান্ত ল'ব পৰাকৈ আন কোনো তথ্য গোচৰৰ

নথিত উপলব্ধ নাই। এনে পৰিস্থিতিত আমি শ্ৰী মহন্তৰ যুক্তিত বল বিচাৰি পাওঁ যে এই আদালতে অপৰাধমূলক অৱমাননা সংঘটিত কৰাৰ বাবে উত্তৰবাদীৰ বিৰুদ্ধে গোচৰ চলোৱাৰ কোনো ন্যায্যতা নাই।

১৬) আমাক জনোৱা হৈছে যে বিভাগীয় কৰ্তৃপক্ষই তিনিচুকীয়াৰ বিজ্ঞ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত চূড়ান্ত প্ৰতিবেদন গ্ৰহণ কৰা আদেশক বাতিল কৰিবলৈ প্ৰাৰ্থনা কৰিছে আৰু লগতে তিনিচুকীয়া থানাৰ গোচৰ নং ৪০৪/২০০৯ সম্পৰ্কত অধিক তদন্তৰ বাবে নিৰ্দেশৰ বাবেও প্ৰাৰ্থনা জনাইছে। কিন্তু বিভাগীয় কৰ্তৃপক্ষই কৰা উক্ত আবেদনৰ ওপৰত  বিজ্ঞ নিম্ন আদালতে কোনো আদেশ দিয়া নাই বুলি স্বীকাৰ কৰা হৈছে। এই আদালতে বিজ্ঞ মূখ্য ন্যায়িক দণ্ডাধীশ, তিনিচুকীয়াৰ ওচৰত কৰা বিভাগীয় কৰ্তৃপক্ষৰ উক্ত প্ৰাৰ্থনাৰ ফলাফলৰ বিষয়েও জল্পনা-কল্পনা কৰিব নোৱাৰে। গতিকে বিজ্ঞ মূখ্য ন্যায়িক দণ্ডাধীশ, তিনিচুকীয়াৰ আদালতত যদি কোনা গোচৰ বিচাৰাধীন হৈ আছে, সেয়া এই গোচৰ এই ন্যায়ালয়ত বিচাৰাধীন কৰি ৰখাৰ ভিত্তি হ'ব নোৱাৰে।

১৭) ওপৰত উল্লেখ কৰা কাৰণসমূহৰ বাবে আমি এই বিষয়টোত আৰু আগবাঢ়ি যোৱাৰ কোনো ন্যায্য ভিত্তি বিচাৰি পোৱা নাই। এই নিজাববীয়া অৱমাননা প্ৰকৰণ, সেয়েহে, বন্ধ কৰা হ'ল। আমি অৱশ্যে স্পষ্ট কৰি দিওঁ যে আমাৰ আদেশ বিষয়টোৰ ওপৰত আইন অনুসৰি আন কোনো উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাত বিভাগীয় কৰ্তৃপক্ষৰ বাটত বাধা নহ'ব।

১৮) গোচৰৰ নথি ঘুৰাই পঠোৱাৰ আগতে আমি বিজ্ঞ জ্যেষ্ঠ অধিবক্তা শ্ৰী টি. জে. মহন্তই আগবঢ়োৱা সেৱাৰ বাবে শলাগ ল'ব বিচাৰিছো, যিয়ে কোনো ধৰণৰ পাৰিতোষিক গ্ৰহণ কৰিবলৈ সৌজন্যতাৰে অস্বীকাৰ কৰিছে। বিজ্ঞ আইনী

সাহায্য অধিবক্তা শ্ৰী ভট্টাচাৰ্যও আইনী সাহায্য অধিবক্তা হিচাপে উত্তৰবাদীৰ স্বাৰ্থক প্ৰতিনিধিত্ব কৰাৰ বাবে কোনো ধৰণৰ পাৰিতোষিক নাকচ কৰিছে।

সেই অনুসৰি বিষয়টো নিষ্পত্তি কৰা হ'ল।

**ন্যায়াধীশ** **ন্যায়াধীশ**

অনুবাদকঃ
মোঃ ছফিজুৰ ৰহমান
মুখ্য অনুবাদক

# DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।”